**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 13-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ৰাজ্যত ভুৱা চিকিৎসকক চিনাক্ত আৰু চিকিৎসা প্ৰতিহত কৰাৰ বাবে স্বাস্থ্য সেৱা সঞ্চালকালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত ভুৱা চিকিৎসক প্ৰতিৰোধী গোট গঠন কৰিছে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজ্য চৰকাৰে দাখিল কৰা এখন শপতনামাত এই কথা উল্লেখ কৰা হয়। ৰাজ্যৰ জ্যেষ্ঠ চিকিৎসক ডাঃ অভিজিৎ নেওগক এই গোটৰ তদাৰকী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে বুলিও শপতনামাত চৰকাৰে উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্যত বহু ভুৱা চিকিৎসকে সৰ্বসাধাৰণৰ জীৱনলৈ বিপদ মাতি চিকিৎসা সেৱা চলাই থকাৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছিল। আবেদনখনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে চৰকাৰক ভুৱা চিকিৎসকৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই তথ্য শপতনামা আকাৰে দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। আজি চৰকাৰে দাখিল কৰা শপতনামাত আৰু উল্লেখ কৰা অনুসৰি ৰাজ্য চৰকাৰে ইতিমধ্যে প্ৰত্যেকখন জিলাত **ভুৱা চিকিৎসক প্ৰতিৰোধী গোট** গঠন কৰি চিকিৎসালয়সমূহত নিৰীক্ষণ অব্যাহত ৰাখিছে। এই শপতনামাৰ পিছতে গোচৰটোৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে তিনি সপ্তাহৰ ভিতৰত ভুৱা চিকিৎসকৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত বিতং শপতনামা দাখিল কৰিবলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

০০০০

নিলম্বিত ৰাজপত্ৰিত বিষয়া ধ্ৰুৱজ্যোতি হাতীবৰুৱাসহ আন ১২ জন ৰাজপত্ৰিত বিষয়াই ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতৰ ৰায়দানক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁলোকৰ আবেদন খাৰিজ কৰাৰ ফলত এই ১২ জন ৰাজপত্ৰিত বিষয়াৰ বিৰুদ্ধে বিশেষ ন্যায়াধীশৰ আদালতত বিচাৰ প্ৰক্ৰিয়া পুনৰ আৰম্ভ হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতৰ নিৰ্দেশত এ পি এছ চি কেলেংকাৰী সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোটে এই ১২ জন ৰাজপত্ৰিত বিষয়াৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। অভিযোগনামা দাখিল কৰাৰ পিছতে চৰকাৰে তেওঁলোকক চাকৰিৰ পৰা নিলম্বন কৰিছিল। শেহতীয়াকৈ কেউগৰাকী অভিযুক্তই বিশেষ তদন্তকাৰীগোটৰ অভিযোগনামা আৰু এই সন্দৰ্ভত বিশেষ ন্যায়াধীশৰ আদালতে দিয়া ৰায়দানৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যালয়ৰ দ্বাৰস্থ হয়। কিন্তু গোচৰটোৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে তেওঁলোকৰ আবেদন খাৰিজ কৰে।

০০০০

শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱ উপলক্ষে পৰহিলৈ বাক্সা জিলা প্ৰশাসনে জিলাখনত স্থানীয় বন্ধৰ ঘোষণা কৰিছে। জিলা আয়ুক্ত গৌতম দাসে স্বাক্ষৰ কৰা জাননীখনত সেইদিনা জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী কাৰ্যালয়, আদালত, বিত্তীয় প্ৰতিষ্ঠান, বেংক, শিক্ষানুষ্ঠান বন্ধ থাকিব বুলি উল্লেখ কৰা হৈছে।

চিৰাং জিলাতো সমাগত দৌল উৎসৱ উপলক্ষে পৰহিলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে। জিলা দণ্ডাধীশ যতীন বৰাই এটা নিৰ্দেশ যোগে সেইদিনা জিলাখনৰ সকলো চৰকাৰী বিভাগৰ কাৰ্যালয়, বেংক, বীমা, শিক্ষানুষ্ঠান বন্ধ থাকিব বুলি ঘোষণা কৰে।

০০০০

মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰই জিলাখনত কৃষকসকলৰ মাজত প্ৰাকৃতিক খেতি আৰু জৈৱিক সাৰ প্ৰয়োগেৰে কৃষি কৰ্ম কৰিবলৈ সজাগতা বৃদ্ধিৰ বাবে আজি এখন প্ৰশিক্ষণ আৰু সজাগতা সভা অনুষ্ঠিত কৰে। ৰাজ্যৰ খেতিপথাৰত ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য যথেষ্ট পৰিমাণে প্ৰয়োগ কৰাৰ ফলত কৃষি ভূমিসমূহ নষ্ট হোৱাৰ লগতে মানৱ সমাজলৈ ভাবুকি কঢ়িয়াই অনাৰ সময়তে কৃষি বিজ্ঞান কেন্দ্ৰই লোৱা এনে পদক্ষেপ আদৰণীয় হিচাপে বিবেচিত হৈছে। জিলাখনৰ ভুৰবন্ধা কাটাগুৰিৰ কৃষকসকলৰ মাজত প্ৰাকৃতিক কৃষিৰ প্ৰয়োজনীয়তা, ধাৰণা আৰু প্ৰাকৃতিক কৃষি ব্যৱস্থা কেনেকৈ ৰূপায়ণ কৰিব লাগে সেই বিষয়ে কৃষি বিশেষজ্ঞ নৱদীপ শইকীয়াই আলোচনা আগবঢ়ায়। জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড০ ৰিজুস্মিতা শৰ্মা ডেকাই অংশগ্ৰহণকাৰী কৃষকসকলক প্ৰাকৃতিক কৃষি কৰ্ম কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে প্ৰাকৃতিক কৃষি বৰস্থাই আমাৰ স্বাস্থ্যসন্মত খাদ্য ব্যৱস্থা প্ৰসাৰিত কৰাৰ লগতে জনসাধাৰণৰ সুস্বাস্থ্য ৰক্ষাত সহায় কৰে

০০০০

সমাগত দৌল মহোৎসৱ উপলক্ষে বিশ্বনাথ জিলা আৰু তামুলপুৰ জিলাতো প্ৰশাসনে পৰহিলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে। অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ দ্বাৰা প্ৰকাশ এখন জাননী অনুসৰি জিলাখনৰ আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই এটা নিৰ্দেশৰ যোগেৰে সেইদিনা জিলাখনৰ সকলো চৰকাৰী বিভাগৰ কাৰ্যালয়, ৰাজহ আৰু দণ্ডাধীশৰ আদালত, শিক্ষানুষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান আদি বন্ধ থাকিব বুলি ঘোষণা কৰে।

০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্ম শতাৰ্ষিকী উপলক্ষে আজি শ্ৰীভূমি জিলা বিজেপি কাৰ্যালয়ত এখন আলোচনা সভা অনুষ্ঠিত হয়। জিলা বিজেপিৰ সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অটল বিহাৰী বাজপেয়ীৰ জীৱনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰা হয়। সভাত শ্ৰীভূমি জিলা বিজেপিৰ সভাপতি সঞ্জীৱ বনিক, মেয়ৰ ৰবীন্দ্ৰ চন্দ্ৰ দেৱকে ধৰি দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাই নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবক হৰুৱাই চেম্পিয়নৰ সন্মান অৰ্জন কৰিছে। নিৰ্ধাৰিত সময়ত দুয়োটা দলে ১-১ গলেৰে সমতা স্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সময়ৰ বাবে খেলখন খেলোৱা হয়। পৰৱৰ্তী সময়ত উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাই ট্ৰাইবেকাৰৰ জৰিয়তে ৭-৬ গলৰ ব্যৱধানত বিজয় সাব্যস্ত কৰিবলৈ সমৰ্থ হয়।

আজিৰ খেলৰ পূৰ্বে আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এইবাৰৰ বৰদলৈ ট্ৰফীৰ ফাইনেল খেল চাৰিগৰাকী মহিলা ৰেফাৰীয়ে পৰিচালনা কৰিছে।

০০০০

ডিব্ৰুগড় জিলা পূৰ্ব ৰাজহচক্ৰৰ অধীনৰ মদাৰখাত মৌজাৰ মেলেঙিয়াল গাঁৱৰ যুৱ অভিযন্তা শোণিত বৰুৱাৰ আজি পুৱা নিজ বাসভৱনত মৃত্যু হয়। মৃত বৰুৱা এগৰাকী মেধা আৰু উদ্যমী যুৱক হিচাপে অঞ্চলটোত পৰিচিত হোৱাৰ লগতে তেওঁ কলাপ্ৰেমী আৰু চিত্ৰকৰো আছিল। এইগৰাকী উদ্যমী যুৱকৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩৪ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ